**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 10-01-2026**
**Time : 21-25 Hrs.**

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

উত্তৰ গুৱাহাটীৰ ৰংমহলত কাইলৈ সংহত ন্যায়িক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হ'ব। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তে এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই অনুষ্ঠানত আইন মন্ত্ৰ্যালয়ৰ ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্জ্বল ভূঞা, সন্দীপ মেহতা, এন কৌটিশ্বৰ সিং, বিজয় বিষ্ণয় আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ উপস্থিত থকাৰ কথা। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আন ২৪ গৰাকী ন্যায়াধীশো উপস্থিত থাকিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এই স্থান পৰিদৰ্শন কৰি অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। উল্লেখযোগ্য যে ৰাজ্যৰ অধিবক্তা সমাজে গুৱাহাটী উচ্চ ন্যায়ালয়ক উত্তৰ গুৱাহাটীলৈ স্থানান্তৰৰ বিৰোধিতা কৰি আহিছে। এই সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল সন্থাই গণতান্ত্ৰিক প্ৰতিবাদ কৰি আহিছে। আজি মুখ্যমন্ত্ৰীয়ে কয়, যে উকীল সন্থাক ৩ বছৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি তেওঁ পালন কৰিছে। অৱশ্যে, উকীল সন্থাৰ লগত উচ্চ ন্যায়ালয়ৰ কি বুজাবুজি হৈছে, সেই সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকী অৱগত নহয় বুলি উল্লেখ কৰে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে এইদৰে কয়ঃ

বাইট

০০০

ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ প্ৰশান্ত দিহিঙ্গীয়াক পশ্চিমবংগস্থিত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান - এইমছ কল্যানী প্ৰতিষ্ঠান সংস্থাৰ সদস্য হিচাপে মনোনীত কৰা হৈছে। ডাঃ দিহিঙ্গীয়াই এই দায়িত্ব লাভ কৰা অসমৰ প্ৰথমগৰাকী চিকিৎসক। এইগৰাকী গৱেষক চিকিৎসকে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক হিচাপে সেৱা আগবঢ়োৱাৰ পাছত মেডিচিন বিভাগত মুৰব্বী অধ্যাপক হিচাপে যোগদান কৰে। ডাঃ দিহিঙ্গীয়াৰ এই স্বীকৃতিৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাকে ধৰি অধ্যাপক- অধ্যাপিকাসকলে অভিনন্দন জ্ঞাপন কৰিছে।

০০০

বৰপেটা ৰোড ষ্টেছনত দ্ৰুতবেগী ৰে'লগাড়ী ৰখোৱাৰ দাবীৰে আজি বৰপেটা ৰোডৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধিয়ে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ষ্টেছন চৌহদত ৰূপায়ণ কৰা এই কাৰ্যসূচীৰ জৰিয়তে তেওঁলোকে ষ্টেছনটোৰ গুৰুত্ব উপলব্ধি কৰি ৰে'ল বিভাগক ইতিবাচক দৃষ্টিভংগীৰে বিষয়টো বিবেচনা কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে মানাহ ৰাষ্ট্ৰীয় উদ্যান, ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰ আদিৰ সৈতে সূচল যোগাযোগৰ

ক্ষেত্ৰত বৰপেটা ৰোড ষ্টেছনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। একেদৰে পশ্চিম অসমৰ অন্যতম বাণিজ্য কেন্দ্ৰ হিচাপে বৰপেটা ৰোড পৰিচিত। প্ৰতিবাদকাৰী ৰাইজে ষ্টেছনটোত বন্দে ভাৰত, ৰাজধানী এক্সপ্ৰেছৰ দৰে দ্ৰুতবেগী ৰে'ল ৰখোৱাৰ দাবী উত্থাপন কৰে।

০০০

বজালী জিলাৰ কেন্দুগুৰিত আজি এটা পথ দুৰ্ঘটনাত এজন লোক নিহত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে, আজি বিয়লি দলৈগাওঁ নিৱাসী প্ৰায় ৮০ বছৰীয়া উদয় চন্দ্ৰ পাটগিৰি নামৰ লোকজনে কেন্দুগুৰি, কৰ্দৈগুৰি পথেৰে খোজকাঢ়ি গৈ থকা অৱস্থাত এখন মটৰ চাইকেলে প্ৰচণ্ড জোৰেৰে খুন্দা মৰাৰ ফলত লোকজন গুৰুতৰভাৱে আহত হয়। এই ঘটনাত মটৰ চাইকেল চালকজনো আহত হয়। স্থানীয় লোকে গুৰুতৰভাৱে আহত পাটগিৰিক পাঠশালাৰ মদন ৰাউটা অসামৰিক চিকিৎসালয়লৈ লৈ যায় যদিও তাত তেওঁৰ মৃত্যু হয়। মটৰ চাইকেল আৰোহী যুৱকজনো চিকিৎসালয়ত ভৰ্তি হৈ আছে। ঘটনা সম্পৰ্কত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

০০০

চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী পথাৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় বাৰ্ষিক অধিৱেশনৰ আজি দ্বিতীয় দিনাৰ কাৰ্য্যসূচীত বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীৰ অধ্যক্ষতাত স্মৃতিগ্ৰন্থ উন্মোচন, বঁটা প্ৰদান অনুষ্ঠানৰ লগতে সাহিত্য একাডেমী বঁটা প্ৰাপকক সম্বৰ্ধনা আৰু আলোচনা চক্ৰৰ আয়োজন কৰা হয়। অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই অংশগ্ৰহণ কৰে।

০০০

যোৰহাট জিলাৰ নকছাৰী, লাহিং আৰু ফেচুৱালবাসী ৰাইজৰ সহযোগত মৰিয়ণিত ৰাজ্যিক ভিত্তিক শিশু ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। এই অনুষ্ঠানত আজি কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে মত বিনিময় অনুষ্ঠানতো অংশ লয়।

০০০

মঙলদৈ ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত আজি নামিবিয়া আৰু অসমৰ মহিলা ক্ৰিকেট দলৰ মাজত এখন বন্ধুত্বপূৰ্ণ খেল অনুষ্ঠিত হয়। ৫০ অভাৰৰ এদিনীয়া খেলখনত অসম দলে নামিবিয়া ৰাষ্ট্ৰীয় দলক ৯৮ ৰাণত পৰাস্ত কৰে। খেলখনত নামিবিয়াই টছত জয়ী হৈ ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। অসমে বেট ধৰি ৪৪ অভাৰ এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৬ ৰাণ কৰে। দলৰ হৈ গায়ত্ৰী গুৰুঙে সৰ্বাধিক ৫৮ আৰু অধিনায়ক উমা চেত্ৰীয়ে ৫৭ ৰাণৰ বৰঙণি আগবঢ়ায়। নামিবিয়াৰ চাইমা টুহাদেলেমীয়ে ৩৭ ৰাণৰ বিনিময়ত ৩ টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত নামিবিয়াই ৪০ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪৮ ৰাণহে কৰিবলৈ সমৰ্থ হয়। অসমৰ হৈ ৰশ্মিয়ে ৪৪ ৰাণৰ বিনিময়ত ৪ টা উইকেট দখল কৰে।

০০০

**ঃঃ সমাপ্ত ঃঃ**